অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ বুধবাৰ, ১৯ মাৰ্চ, ২০২৫/৫ চ'ত, ১৯৪৬ শক

# দিছপুৰ মহাবিদ্যালয়ত পৰিচালনা উন্নয়ন কাৰ্যসূচী



**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ১৮ মাৰ্চ ঃ** দিছপুৰ মহাবিদ্যালয়ৰ ইনষ্টিটিউচন ইনোভেচন কাউন্সিল (আই আই চি)ৰ উদ্যোগত আৰু ভাৰতীয় উদ্যোগীকৰণ প্ৰতিষ্ঠান (আই আই ই)ৰ সহযোগত অলপতে মহাবিদ্যালয়খনৰ এন বি ডি সভাকক্ষত স্নাতক ছাত্ৰ-ছাত্ৰীৰ বাবে পাঁচদিনীয়া পৰিচালনা উন্নয়ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাৰ নেতৃত্বত আৰু কাৰ্যসূচীৰ সমন্বয়ক ড° হিমাংশু কলিতাৰ পৰিচালনাত আয়োজিত এই কাৰ্যসূচীৰ লক্ষ্য আছিল কলা আৰু বাণিজ্যৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্যোগীকৰণৰ অত্যাৱশ্যকীয় জ্ঞান দিয়া। এই পৰিচালনা উন্নয়ন কাৰ্যসূচীৰ অন্তৰ্ভুক্ত বিষয় আছিল— উদ্যোগীকৰণৰ বাবে মানসিকতা সলনি কৰা, বজাৰৰ প্ৰকাৰ, বিত্তীয় আৰু কাৰ্যকৰী মূলধন বুজন, ব্যৱসায়ত ব্ৰেণ্ডিং, পেকেজিং আৰু আইনী অনুসৰণ, এম এছ এম ইৰ বাবে ডিজিটেল বিপণন আৰু নীতি সমৰ্থন আদি।